**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। লোকসভাত আজি ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ৰ বাবে যুটীয়া সংসদীয় সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ'ব।

২। দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন।

৩। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভত বসন্ত পঞ্চমী উপলক্ষে তৃতীয় অমৃত স্নান অনুষ্ঠিত হৈছে।**আৰু**

৪। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত ৫ খনীয়া টি-টুৱেণ্টী শৃংখলাৰ অন্তিমখন খেলত বৃহৎ ব্যৱধানত ভাৰতৰ জয়লাভ।

০০০০০

লোকসভাত আজি ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ৰ বাবে যুটীয়া সংসদীয় সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ'ব। ৱাক্‌ফ সংশোধনী বিধেয়ক যুটীয়া সংসদীয় সমিতিৰ অধ্যক্ষ জগদম্বীকা পাল আৰু বিজেপিৰ সাংসদ সঞ্জয় জয়ছোৱালে এই প্ৰতিবেদন দাখিল কৰিব। এই সন্দৰ্ভত যুটীয়া সমিতিয়ে লাভ কৰা সাক্ষ্য প্ৰমাণসমূহো আজি সদনত দাঙি ধৰা হ'ব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাক যোৱা ৩০ জানুৱাৰীত এই প্ৰতিবেদন দাখিল কৰা হৈছিল। ইয়াৰ পূৰ্বে সমিতিয়ে ১৪টা দফা আৰু ধাৰাত ২৫টা সংশোধনীৰে ১৯৯৫ ৱাক্‌ফ সংশোধনী বিধেয়কখন তৈয়াৰ কৰিছিল।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। ইয়াৰ বাবে ৰাষ্ট্ৰীয় ৰাজধানীখনত বিজেপি, আপ আৰু কংগ্ৰেছ দলৰ নেতা তথা তাৰকা প্ৰচাৰকসকলে ভোটাৰৰ মন জয় কৰিবলৈ ৰোড শ্ব', জনসভা আৰু ঘৰে ঘৰে গৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। এইবাৰৰ নিৰ্বাচনত ৬৯৯ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। ১ কোটি ৫৬ লাখতকৈও অধিক ভোটদাতাই নিৰ্বাচনী প্ৰক্ৰিয়াৰে প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। ১৩ হাজাৰ ৭৬০টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰা হ'ব। এই নিৰ্বাচনত ভোটদাতাৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচন আয়োগে ভোটদাতাৰ সুবিধা হোৱাকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে পৰহিলৈ ভোটগ্ৰহণ আৰু অহা শনিবাৰে ভোটগণনা কৰা হ'ব।

০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভত বসন্ত পঞ্চমী উপলক্ষে তৃতীয় অমৃত স্নান অনুষ্ঠিত হৈছে। এই অমৃত স্নান মহাকুম্ভৰ অতি গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ ধৰ্মীয় আচাৰ বুলি গণ্য কৰা হয়। যোৱা ১৪ জানুৱাৰীত মকৰ সংক্ৰান্তি উপলক্ষে প্ৰথমবাৰ অমৃত স্নান হোৱাৰ পাছত যোৱা ২৯ জানুৱাৰীত মৌনী অমাৱস্যা উপলক্ষে দ্বিতীয় অমৃত স্নান সম্পন্ন হৈছিল।

মহাকুম্ভৰ মুঠ ১৩টা আখৰাত তৃতীয় অমৃত স্নান সন্দৰ্ভত সময়সূচী, নিৰ্দেশনা দিয়া হৈছে। মহানিৰ্বানী পঞ্চায়তী আখৰা আৰু শম্ভু পঞ্চায়তী অটল আখৰাই আজি পুৱা ত্ৰিবেণী সংগমত প্ৰথম অমৃত স্নানত ভাগ

ল'ব। তৃতীয় অমৃত স্নান উপলক্ষে সুৰক্ষা আৰু নিৰাপত্তাৰ দিশ সুনিশ্চিত কৰাৰ বাবে মেলাস্থলীত পেৰা মিলিটাৰীসহ ৫০ হাজাৰ আৰক্ষীৰ লোক নিযুক্ত কৰা হৈছে।

উত্তৰ প্ৰদেশ চৰকাৰে নিৰাপত্তাৰ দিশ সুনিশ্চিত কৰাৰ বাবে মহাকুম্ভস্থলী যান-বাহনমুক্ত কৰি ৰাখিছে। উল্লেখযোগ্য যে এই মহাকুম্ভ মেলা পৃথিৱীৰ সৰ্ববৃহৎ ধৰ্মীয় সমাৱেশ ৰূপে পৰিগণিত হৈছে। যোৱা ১৩ জানুৱাৰীৰ পৰা বৰ্তমানলৈ কুম্ভমেলাৰ ত্ৰিবেণী সংগমত ৩৫ কোটিতকৈও অধিক ভক্তই পৱিত্ৰ স্নান সম্পন্ন কৰিছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে দেশত লাখ লাখ অবৈধ প্ৰবাসী নাই আৰু দেশৰ জনগাঁথনি সলনি কৰিব পৰাকৈ ৰাজনৈতিক নিৰ্বাচনত তেওঁলোকক অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়। তেওঁ যুৱ সমাজক ৰাষ্ট্ৰ বিৰোধী ভাৱধাৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। চাৰ্টাড একাউণ্টছ্ অৱ ইণ্ডিয়া প্ৰতিষ্ঠানে কালি দিল্লীত আয়োজন কৰা ৱৰ্লড ফ'ৰাম অৱ একাউণ্টেটছ্ সন্মিলনত অংশগ্ৰহণ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে যুৱ সমাজে দেশৰ অস্তিত্ব সম্বন্ধীয় প্ৰত্যাহ্বানসমূহৰ বিষয়ে ভবা উচিত। শ্ৰীধনখড়ে কয়, যে কোনো কোনো লোক আৰু প্ৰতিষ্ঠানে দেশৰ বিকাশৰ যাত্ৰাৰ প্ৰতি ভাল পোৱা নাই। সেয়েহে এনে লোকে সদায় বিৰূপ মনোভাৱৰ পৰিৱেশ সৃষ্টি কৰি আহিছে।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে যুৱ সমাজৰ প্ৰতি আহ্বান জনাই কয়, যে যুৱ সমাজৰ মাজত শক্তি নিহিত হৈ আছে, যিয়ে ৰাষ্ট্ৰ বিৰোধী ভাৱধাৰাক মষিমূৰ কৰিব পাৰে। তেওঁলোকে এই শক্তিৰ দ্বাৰা ৰাষ্ট্ৰ বিৰোধী সকলো ভাৱনা আৰু কাৰ্যক দূৰ কৰিব পাৰে। সন্মিলনত শ্ৰীধনখড়ে অৰ্থনৈতিক ৰাষ্ট্ৰবাদৰ ভাৱনা গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে, কিয়নো এনে ভাৱনাই দেশৰ অৰ্থব্যৱস্থা টনকীয়াল কৰিব।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **কৰ্কট ৰোগ সজাগতা ঃ প্ৰতিৰোধ, চিনাক্ত আৰু চিকিৎসা** সন্দৰ্ভত ডাঃ দদুল মণ্ডলৰ সৈতে হোৱা এলানি বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি চিকিৎসকগৰাকীৰ সৈতে কৰ্কট ৰোগ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

ভূপাল সাহিত্য আৰু কলা মহোৎসৱৰ কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ সচিব সঞ্জয় জাজুৱে অংশগ্ৰহণ কৰে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত শ্ৰীজাজুৱে যুৱ প্ৰজন্মক পঢ়া-শুনাৰ লগতে সৃষ্টিমূলক কাৰ্যত নিজকে অধিক ব্যস্ত কৰি ৰখাৰ বাবে আহ্বান জনায়। কালিৰ সামৰণি অনুষ্ঠানত এই মহোৎসৱৰ অন্যতম আয়োজক ৰাঘৱ চন্দ্ৰাই মানৱীয় প্ৰমূল্য স্থাপন কৰাৰ বাবে আৰু অশান্ত পৃথিৱীত শান্তি প্ৰতিষ্ঠাৰ বাবে সাহিত্য আৰু ৰচনাত্মক কাৰ্যকলাপত গুৰুত্ব প্ৰদান কৰে।

০০০০০

গধুৰ উদ্যোগ আৰু তীখা মন্ত্ৰী এইচ ডি কুমাৰস্বামীয়ে কালি কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰে কেন্দ্ৰীয় সকলো কাৰ্যসূচী স্থবিৰ কৰি ৰাজনৈতিক প্ৰতিশোধৰ কামত লিপ্ত হৈছে বুলি অভিযোগ উত্থাপন কৰে। কালি হাছানত সংবাদ মাধ্যমক কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছে মংগালুৰুৰ কুদ্ৰেমুখ লোহা কাৰখানা বন্ধ কৰাৰ ষড়যন্ত্ৰ ৰচিছে বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে কৰ্ণাটকৰ উন্নয়নত সমৰ্থন জনাই বিভিন্ন

উন্নয়নমুলক কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও ৰাজনৈতিক শত্ৰুতাৰ বাবে কংগ্ৰেছ নেতাসকলে দেৱদাৰী খনন প্ৰকল্প পুনৰুজ্জীৱিত কৰাৰ প্ৰচেষ্টাত বাধাৰ সৃষ্টি কৰিছে আৰু কুদ্ৰেমুখ কাৰখানাৰ শতাধিক শ্ৰমিকে চাকৰি হেৰুৱাইছে। কুমাৰস্বামীয়ে লগতে কয় যে বন বিভাগৰ ভূমি বিবাদৰ অজুহাতত কংগ্ৰেছে বাধাৰ সৃষ্টি কৰিছে।

০০০০০

পুৰুষৰ টি-২০ ক্ৰিকেটত যোৱা নিশা মুম্বাইৰ ৱানখাৰে ষ্টেডিয়ামত ভাৰত-ইংলেণ্ডৰ মাজত অনুষ্ঠিত পাঁচখনীয়া শৃংখলাৰ অন্তিমখন খেলত ১৫০ ৰানৰ ব্যৱধানত ভাৰতে জয়লাভ কৰে। এই জয়ৰ দ্বাৰা ভাৰতে পাঁচখনীয়া শৃংখলাত ৪-১ফলাফল লাভ কৰিবলৈ সক্ষম হয়। কালিৰ খেলখনত ভাৰতে ২৪৮ৰানৰ টাৰ্গেট বান্ধি দিছিল যদিও ১০ অভাৰ আৰু তিনিটা বলত ইংলেণ্ডে মাত্ৰ ৯৭ ৰান সংগ্ৰহ কৰি অলআউট হয়। অপেনাৰ ফিলিপ ছল্টে ইংলেণ্ডৰ হৈ সৰ্বাধিক ৫৫ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ শ্বামীয়ে তিনিটা উইকেট, বৰুণ চক্ৰৱৰ্তী-শিভম ডুবে আৰু অভিষেক শৰ্মাই দুটাকৈ উইকেট দখল কৰে। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০অভাৰত ৯উইকেটৰ বিনিময়ত ২৪৭ৰান সংগ্ৰহ কৰিছিল। কালিৰ খেলখনত অভিষেক শৰ্মাক প্লেয়াৰ অব দা মেচ্ সন্মান প্ৰদান কৰা হয়। ইফালে পাঁচখনীয়া শৃংখলাত বৰুণ চক্ৰবৰ্তীক প্লেয়াৰ অব দি চিৰিজ সন্মান প্ৰদান কৰা হয়।

০০০০০

তামিলনাডুৰ এছডিএটি টেনিছ ষ্টেডিয়ামত আজি চেন্নাই অ'পেন টেনিছ প্ৰতিযোগিতাৰ মূল ড্ৰ' আৰম্ভ হ'ব। এ টি পি চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পঞ্চম সংস্কৰণ এইবাৰ চেন্নাইত অনুষ্ঠিত হ'ব। যোৱা বছৰ চেন্নাই অ'পেনত জয়ী হোৱা সুমিত নাগালে এইবাৰৰ সংস্কৰণত অংশ ল'ব নোৱাৰিব। প্ৰতিযোগীতাৰ ৩২ ৰাউণ্ডত এলেক্সি জাখাৰভৰ বিৰুদ্ধে মুকুন্দ ছাচিকুমাৰে অভিযান আৰম্ভ কৰিব। ৰামকুমাৰ ৰামানাথনে উদ্বোধনী ৰাউণ্ডত ফ্ৰান্সৰ কাইৰিয়ান জেকেটৰ বিৰুদ্ধে খেলিব। ৯ ফেব্ৰুৱাৰীত চেন্নাই অ'পেন ২০২৫ টেনিছ প্ৰতিযোগিতাৰ অন্ত পৰিব।

০০০০০

ভাৰতীয় টেনিছ দলে নতুন দিল্লীৰ ডি এল টি এ কমপ্লেক্সত কালি অনুষ্ঠিত প্ৰথম বিশ্ব গ্ৰুপ প্লে অফত ট'গ'ক ৪-০ ফলাফলত পৰাস্ত কৰি ডেভিছ কাপ ২০২৫ৰ প্ৰথম পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰে। এন শ্ৰীৰাম বালাজী আৰু ঋত্বিক বলিপালীয়ে এম'লাপা টিংগৌ আকোমলো আৰু হোদ'আবালো ইছাক পাডিঅ'ক ৬-২, ৬-১ ফলাফলত পৰাস্ত কৰি জয়লাভ কৰে।

০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবলত জামছেদপুৰৰ জে আৰ ডি টাটা স্প'ৰ্টছ কমপ্লেক্সত কালি জামছেদপুৰ ফুটবল ক্লাবে গোৱাক ৩-১ গ'লত পৰাস্ত কৰি তালিকাত দ্বিতীয় স্থান দখল কৰিবলৈ সমৰ্থ হয়। অহা বৃহস্পতিবাৰে ফুটবল ক্লাব গোৱাই ওড়িশা ফুটবল ক্লাবৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত